অধ্যায় ৪ ঃ অসমীয়া লোকসাহিত্য — ১

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ লোকসাহিত্য বা মৌখিক সাহিত্য
৪.৩.১ সংজ্ঞা
৪.৩.২ শ্রেণীবিভাজন
৪.৩.৩ বৈশিষ্ট্য
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকসাহিত্য বা মৌখিক সাহিত্য বুলিলে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- লোকসাহিত্যক শ্রেণী বিভাজন কৰিব পাৰিব
- লোকসাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞাত হ'ব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি 'অসমীয়া সাহিত্যৰ যুগ বিভাজন' শীর্ষক অধ্যায়টো অধ্যয়ন কৰি নিশ্চয় ধাৰণা লাভ কৰিব পাৰিছে যে বর্তমানৰ অসমীয়া সাহিত্য হেজাৰ বছৰৰ ক্রমপৰিণতিৰ ফল। এই সাহিত্যই বিভিন্ন অৱস্থাৰ মাজেদি সৰকি আহি বর্তমানৰ অৱস্থা লাভ কৰিছে। সকলো ভাষাতে লিখিত সাহিত্যৰ লেখীয়াকৈ কিছুমান মৌখিক সাহিত্যও আছে। এই মৌখিক সাহিত্যসমূহৰ কাল নির্ণয় কৰাটো এক জটিল কাম। ভাষাৰ প্রচলনৰ সময়ৰে পৰাই হয়তো লোকসমাজত মৌখিক সাহিত্যৰ প্রচলন হৈছিল। আজিও লোকসমাজত মৌখিক সাহিত্যৰ সৃষ্টি হৈয়েই আছে। সেয়েহে লোকসাহিত্যক কোনো যুগতে আবদ্ধ কৰিব নোৱাৰি। লোকসাহিত্য মূলতঃ যুগ নিৰপেক্ষ সাহিত্য।

এই অধ্যায়টিত আমি অসমীয়া লোকসাহিত্য বা মৌখিক সাহিত্যৰ কিছু দিশ অধ্যয়ন কৰিম। মূলতঃ লোকসাহিত্য বা মৌখিক সাহিত্যৰ সংজ্ঞা, শ্রেণীবিভাজন আৰু ইয়াৰ প্রধান

বৈশিষ্ট্যসমূহৰ বিষয়ে ইয়াত আলোচনা দাঙি ধৰা হ'ব। এই অধ্যায়টিৰ অধ্যয়নে আপোনাক লোকসাহিত্যৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰিব।

৪.৩ লোকসাহিত্য বা মৌখিক সাহিত্য

অসমীয়া মৌখিক সাহিত্য সম্পর্কে আলোচনাত প্রবৃত্ত হোৱাৰ আগতে আমি মৌখিক সাহিত্য মানেনো কি সেই বিষয়ে জনা উচিত। লোকসাহিত্য বা মৌখিক সাহিত্য শব্দ যুগল অনুধাৱন কৰিলেই ইয়াৰ সংজ্ঞা নিৰূপণ কৰিব পাৰি। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৪.৩.১ সংজ্ঞা

ইংৰাজী "folk literature" শব্দগুচ্ছৰ অসমীয়া প্রতিশব্দ হিচাপে লোকসাহিত্য বা মৌখিক সাহিত্য শব্দগুচ্ছ ব্যৱহাৰ কৰা হয়। ধ্রুপদী পৰম্পৰাতকৈ পৃথক, কোনো বিশেষ "স্কুল"ত আৱদ্ধ কৰিব নোৱৰা, যি বিলাক লিখনি কোনে প্রকৃততে ৰচনা কৰিছিল সেয়া ঠাৱৰ কৰিব নোৱৰা সাহিত্যৰাজিকে লোকসাহিত্য বুলি কোৱা হয়। *Encyclopedia Britannica*-ত ইয়াৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — "folk literature, also called folklore or oral tradition, the lore (traditional knowledge and beliefs) of cultures having no written language. It is transmitted by word of mouth and consists, as does written literature, of both prose and verse narratives, poems and songs, myths, dramas, rituals, proverbs, riddles, and the like. Nearly all known peoples, now or in the past, have produced it."

এই সংজ্ঞাটোৱেই আমাক ধাৰণা প্রদান কৰে যে মৌখিক সাহিত্য বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। মৌখিক সাহিত্যক 'বাচিক কলা', 'লোকসাহিত্য', 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য' আদি বিভিন্ন অভিধাৱে অভিহিত কৰা হয়। মৌখিক সাহিত্যৰ ৰচয়িতা কোন সেয়া নির্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্রমে প্রৱাহমান বাবে আঞ্চলিক ৰূপ বা পাঠান্তৰ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্রৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো মৌখিক সাহিত্যত প্রৱেশ কৰিব পাৰে। অসমীয়াত ব্যৱহৃত 'লোক' মূলতঃ সংস্কৃত শব্দ। ইয়াৰ অন্যতম অর্থ জনসাধাৰণ। সেইবাবে সহজভাৱে বুজা যায় 'লোকসাহিত্য' মানে জনসাধাৰণৰ সাহিত্য বা জনসাহিত্য। শিপাই যেনেকৈ মাটিৰ তলত থাকি গছক পত্রে-পুষ্পে সুশোভিত কৰি ৰাখে; তেনেদৰে

সকলো সাহিত্যৰে মূলভাগ লোকজীৱনৰ অন্তৰালত ঢাক খাই থাকে। পৃথিৱীৰ সকলো সাহিত্যতে দুটা স্পষ্ট ধাৰা দেখিবলৈ পোৱা যায়। প্ৰথমটো পৰিকল্পিত প্ৰচেষ্টাৰ মাজেৰে নিৰ্মিত সাহিত্য আৰু দ্বিতীয়টো লোকজীৱনৰ সমূহীয়া অংশগ্ৰহণত স্বতঃস্ফূৰ্তভাৱে নিৰ্মিত সাহিত্য। অৰ্থাৎ প্ৰথমটো হৈছে লিখিত ৰূপৰ সাহিত্য আৰু দ্বিতীয়টো হৈছে মুখে মুখে প্ৰচলিত তথা অলিখিত ৰূপৰ সাহিত্য। এই দ্বিতীয় ধাৰাটোকে কোৱা হয় লোকসাহিত্য। ইয়াক লোকসাহিত্য, মৌখিক সাহিত্য, জনসাহিত্য আদি বিভিন্ন নামেৰেও জনা যায়। লোকসাহিত্য পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখে মুখে বাগৰি অহা সাহিত্য। অনাখৰি কৃষক-শ্ৰমিক, গৰখীয়া-নাৱৰীয়া, শিপিনী-বোৱনী আদি ভিন ভিন শ্ৰমত লিপ্ত মানুহৰ গীত-মাত, সাধুকথা, ফকৰা-যোজনা আদিৰ সমাহাৰকে কোৱা হয় লোকসাহিত্য। লোকসাহিত্যৰ মূল বৈশিষ্ট্য হ'ল অনুভূতিৰ অকৃত্ৰিমতা আৰু স্বতঃস্ফূৰ্ততা। প্ৰাকৃতিক জগতৰ লগত ইয়াৰ সম্পৰ্ক অতি নিবিড়।

খ্ৰীষ্টপূৰ্ব প্ৰায় ৪০০০ চনলৈকে সকলো সাহিত্যই আছিল মৌখিক; কিন্তু খ্ৰীষ্টপূৰ্ব ৪০০০ আৰু ৩০০০ চনৰ ভিতৰত মিচৰ আৰু চুমেৰত মেছ'পটেমিয়াৰ সভ্যতাত লিখিত সাহিত্যৰ বিকাশ ঘটিছিল। সেই সময়ৰ পৰা কেৱল আইন আৰু ব্যৱসায়ৰ দৰে ব্যৱহাৰিক বিষয়বেৰেই নহয়, ক্ৰমান্বয়ে লিখিত সাহিত্যৰ ৰেকৰ্ড আছে। লিখাৰ অভ্যাসগত ব্যৱহাৰ এছিয়া, উত্তৰ আফ্ৰিকা আৰু ভূমধ্যসাগৰীয় ভূমিত আৰু শেষত সমগ্ৰ বিশ্বৰ বহু অংশত বিস্তৃত হোৱাৰ লগে লগে লিখিত সাহিত্যৰ গঠনৰ দ্ৰুত বৃদ্ধি ঘটিল, যাৰ ফলত বিশ্বৰ কিছুমান বিশেষ ঠাইত, লেখাত সাহিত্য বহু পৰিমাণে গল্পকাৰ আৰু কবিৰ বাবে প্ৰকাশৰ স্বাভাৱিক ৰূপ হৈ পৰিছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

ক) লোকসাহিত্যত ব্যক্তি নিৰপেক্ষ ৰূপ নাথাকে।

খ) পৃথিৱীৰ সকলো সাহিত্যতে দুটা স্পষ্ট ধাৰা দেখিবলৈ পোৱা যায়।

.....

.....

৪.৩.২ শ্ৰেণীবিভাজন

ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। পূৰ্বতে কেৱল বিষয়বস্তুৰ ফালৰ পৰা লোকগীত, সাধুকথা

আৰু ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ, মন্ত্ৰ সাহিত্য আদি ভাগত মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হৈছিল। সাম্প্ৰতিক সময়ত অৱশ্যে বিভিন্ন দৃষ্টিভংগীৰে মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হয়। সেইকেইটা হ'ল—

- জাতিগত শ্ৰেণীবিভাজন (Ethnic Genres)
- তাত্ত্বিক শ্ৰেণীবিভাজন (Analytical Categories)
- বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন (Thematic Classification)
- প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন (Functional Classification)
- অনুষঙ্গগত শ্ৰেণীবিভাজন (Contextual Classification)
- আঞ্চলিক শ্ৰেণীবিভাজন (Regional Classification)

- *জাতিগত শ্ৰেণীবিভাজন ঃ* সাংস্কৃতিক পদ্ধতিৰে মৌখিক সাহিত্যক বিভাজন কৰা পদ্ধতিটোকে জাতিগত শ্ৰেণী বিভাজন বুলি কোৱা হয়। প্ৰত্যেকটো জাতি-জনজাতি নৃ-গোষ্ঠীৰ মাজত মৌখিক সাহিত্যৰ বিভিন্ন বিভাগসমূহ সূচাবলৈ বিভিন্ন পৰিভাষাৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, অসমৰ সাধুকথাক সূচাবৰ বাবে 'সাধু, 'সাধুকথা', 'উপকথা', 'উককথা', 'সাজোকথা', 'গোসাঁইকথা', 'কিচ্ছা' ইত্যাদি পৰিভাষাৰ ব্যৱহাৰ কৰা যায়। উল্লেখযোগ্য যে, জাতিগত শ্ৰেণীবিভাজনক অন্যপ্ৰকাৰে নৃ-গোষ্ঠীগত শ্ৰেণীবিভাজন বুলিও ক'ব পাৰি। তদুপৰি এইবিধ শ্ৰেণীবিভাজনক স্থানীয় শ্ৰেণীবিভাজন বুলি ক'লেও ৰজিতা খায়।
- *তাত্ত্বিকগত শ্ৰেণীবিভাজন ঃ* মৌখিক সাহিত্যৰ পাঠ পদ্ধতিগতভাৱে, সু-সংবদ্ধ সংগঠনৰ আৰ্হি প্ৰদৰ্শনৰে বিভাজন কৰা প্ৰথাটোকে তাত্ত্বিকগত শ্ৰেণীবিভাজন বুলি কোৱা হয়। বিদ্যায়তনিক দৃষ্টিভংগী তথা আন্তৰ্জাতিক শ্ৰেণীবিভাজনৰ প্ৰতি দৃষ্টি ৰাখি মৌখিক সাহিত্যৰ বিভিন্ন পাঠক ভাগ কৰা হয় এই তাত্ত্বিকগত শ্ৰেণীবিভাজনত। তাত্ত্বিকগত শ্ৰেণীবিভাজনৰ আৰ্হি অনুসৰি মৌখিক সাহিত্যৰ পাঠ কেইবাটাও ভাগত শ্ৰেণীবিভাজন কৰি আলোচনা কৰা হয়। যথা— (১) লোককবিতা বা লোকগীত (২) গদ্যধৰ্মী লোককথা (৩) প্ৰবচন-লোকোক্তি-যোজনা আৰু পটন্তৰ (৪) সাঁথৰ, দৃষ্টান্ত (৫) লোকভাষা। এই পাঁচটা ভাগক পুনৰ কেইবাটিও সৰু সৰু উপ-ভাগত ভাগ কৰি আলোচনা কৰা হয়।
- *বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন ঃ* মৌখিক সাহিত্যৰ বিভিন্ন উপাদানসমূহৰ বিষয়বস্তু অনুসৰি শ্ৰেণীভুক্ত বা পৰ্যায়ভুক্ত কৰা পদ্ধতিটোৱে হ'ল বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন। সাধাৰণতে আঠোটা ভাগত ভাগ কৰি বিষয়বস্তুগত শ্ৰেণী বিভাজন কৰা হয়— (১) অনুৰাগ আসক্তি, প্ৰেম-প্ৰণয় আৰু বিৰহ-মিলন বিষয়ত গীত-পদ বা বাচিক কলা, (২) ভক্তিমূলক বা ভক্তি প্ৰধান বা ভক্তি বিষয়ক গীত-পদ বা বাচিক কলা, (৩) দাৰ্শনিক ভাবপ্ৰধান গীত-পদ বা বাচিক কলা, (৪) ব্যঙ্গপ্ৰধান বা ব্যঙ্গ বিষয়ক গীত-পদ বা বাচিক কলা, (৫) হাস্য প্ৰধান বা হাস্য বিষয়ক গীত-পদ

বা বাচিক কলা, (৬) আর্থ-সামাজিক ভাব প্রধান গীত-পদ বা বাচিক কলা (৭) আশা-আকাংক্ষা আৰু উৎসাহ-উদ্দীপনা বিষয়ক গীত-পদ বা বাচিক কলা, (৮) ঐতিহাসিক ৰাজনৈতিক আদি বিষয়ক গীত-পদ বা বাচিক কলা।

- *প্রকার্যাত্মক শ্রেণীবিভাজন ঃ* মৌখিক সাহিত্যৰ বিভিন্ন উপাদানৰাজিৰ আছে সুনির্দিষ্ট সামাজিক প্রকার্য। এনেদৰে নির্দিষ্ট প্রকার্যৰ আধাৰত মৌখিক সাহিত্যৰ শ্রেণীবিভাজন কৰা পদ্ধতিটোকেই প্রকার্যাত্মক শ্রেণীবিভাজন বোলা হয়।
- *অনুষঙ্গগত শ্রেণীবিভাজন ঃ* আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সংপৃক্ত। অর্থাৎ সমাজৰ একোটা নির্দিষ্ট পৰিস্থিতিত এইবোৰ কোৱা হয়, গোৱা হয় বা আবৃত্তি কৰা হয়। এই সামাজিক পৰিস্থিতিবোৰকেই একোটা প্রসংগ বা অনুষঙ্গ বোলে। এনেদৰে অনুষঙ্গগতভাৱে মৌখিক সাহিত্যক শ্রেণীবিভাজন কৰাটোকেই অনুষঙ্গগত শ্রেণীবিভাজন বোলা হয়। উদাহৰণস্বৰূপে, বিহু সম্পর্কে নাজানিলে বিহুগীতৰ বিষয়ে সঠিকভাৱে ধাৰণা লাভ কৰিব নোৱাৰি। ইয়াৰ পৰা সহজে অনুমেয় যে মৌখিক সাহিত্যৰ উপাদানৰাজি ভালদৰে অনুধাৱন কৰিবলৈ হ'লে তাৰ অনুষঙ্গৰ বিষয়েও সম্যক ধাৰণা থকা উচিত। সেইবাবে প্রসংগ অনুসৰিহে মৌখিক সাহিত্য বিভাজিত হোৱা উচিত বুলি এচাম লোকসংস্কৃতিবিদে মন্তব্য কৰে।
- *আঞ্চলিক শ্রেণীবিভাজন ঃ* মৌখিক সাহিত্যক আঞ্চলিক বৈশিষ্ট্যৰাজিৰ আধাৰত বা ভৌগোলিক বৈশিষ্ট্যৰাজিৰ আধাৰতো শ্রেণীবিভাজন কৰা দেখা যায়। এনেদৰে কৰা বিভাজনকেই আঞ্চলিক শ্রেণীবিভাজন বোলে। উল্লেখযোগ্য যে আঞ্চলিক শ্রেণীবিভাজনত গুৰুত্ব লাভ কৰে সেই অঞ্চলত প্রচলিত ভাষিক ৰূপটোৱে। ইয়াকে আমি লোকসাহিত্যৰ উপাদানৰাজিৰ জমিন (Texture) বুলি আখ্যা দিব পাৰোঁ।

বিষয়বস্তু আৰু ৰচনাৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্রধানকৈ তিনিটা শ্রেণীত ভগাব পাৰি—

৩) লোকগীত

২) ফকৰা-যোজনা, প্রবাদ, পটন্তৰ, সাঁথৰ আদি

৩) সাধুকথা।

প্রসংগক্রমে উল্লেখযোগ্য যে — ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, প্রসংগ বা অনুষঙ্গ, প্রকার্য, প্রয়োগ, ৰূপক, অর্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে লোকসাহিত্যক শ্রেণী বিভাজন কৰি বিচাৰ-বিশ্লেষণ কৰিব পাৰি। সম্প্রতি এনে ধৰণৰ বিবিধ ধাৰণাৰ আধাৰত লোকসাহিত্যক বিভাজন কৰি বিচাৰ-বিশ্লেষণ কৰা হয়। আমি ইতিমধ্যে উল্লেখ কৰা শ্রেণীবিভাজনটো মূলতঃ বিষয়বস্তুৰ ফালৰ পৰা কৰা শ্রেণী বিভাজনহে। আপুনি সম্প্রতি এনেদৰে অধ্যয়ন কৰিলেই হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লোকসাহিত্যৰ প্রকার্যাত্মক শ্রেণীবিভাজন বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৩ ঃ বিষয়বস্তু আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্রধানকৈ কেইটা আৰু কি কি শ্রেণীত ভগাব পাৰি?

.....

.....

৪.৩.৩ বৈশিষ্ট্য



সোণসেৰীয়া ঃ বহুমূলীয়া

মৌখিক সাহিত্যৰ মূল বৈশিষ্ট্য হ'ল অনুভূতিৰ অকৃত্রিমতা আৰু স্বতঃস্ফূর্ততা। প্রাকৃতিক জগতৰ লগত ইয়াৰ সম্পর্ক অতি নিবিড়। তদুপৰি মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সম্পৃক্ত, কাৰণ ই এক সামাজিক ব্যাপাৰ আৰু সেইবাবেই ইয়াৰ সামাজিক প্রকার্য অস্বীকাৰ কৰিব নোৱাৰি। এই প্রসংগৰ আঁত টানি ক'ব পাৰি যে অতীত, বর্তমান আৰু ভৱিষ্যতৰ সীমাৰেখাৰে মৌখিক সাহিত্য সীমিত নহয়। মৌখিক সাহিত্যৰাজি সংস্কৃতিৰ ***সোণসেৰীয়া*** উপাদান। সমাজৰ দৈনন্দিন জীৱন পদ্ধতি, চিন্তাচর্চা, বিশ্বাস, পৰম্পৰা, সংস্কাৰ আদিৰ ই এক সমৃদ্ধ ভঁৰাল।

লোকসাহিত্যৰ আটাইতকৈ স্পষ্ট বৈশিষ্ট্যটো হ'ল ইয়াৰ মৌখিকতা সংবাহক। আনহাতে লিখিত সাহিত্যৰপাণ্ডুলিপি বা কিতাপ থাকে আৰু লেখকে এৰি থৈ যোৱাৰ দৰেই সংৰক্ষিত হ'ব পাৰে; লাগিলে সেই লিখনি যেতিয়াই লিখা নহওক। মৌখিক সাহিত্য মৌখিক সংবাহনৰ জৰিয়তেহে পৰম্পৰাৰ পৰা পৰম্পৰালৈ প্রবাহিত হয়। ই জীৱন্ত সংস্কৃতিৰ অস্তিত্বৰ ওপৰত নির্ভৰশীল। লোকসাহিত্যৰ কোনো বস্তু যদি মানুহৰ স্মৃতিত অস্তিত্ব নাইকিয়া হৈ যায় তেন্তে সেয়া সম্পূর্ণৰূপে হেৰাই যায়।

লোকসাহিত্যক বক্তা বা গায়কে আন বক্তাৰ পৰা শিকি জীৱিত দর্শকৰ মাজলৈ আগবঢ়োৱা পৰম্পৰা এটাৰে আগুৱাই গৈ থাকে। লোকসাহিত্যৰ যিকোনো উপকৰণ শ্রোতাৰ বাবে গ্রহণযোগ্য হ'লে ই অনেক যুগ যুগ ধৰি আৰু বহু ভৌগোলিক দূৰত্ব অতিক্রম কৰি জীয়াই থাকে।

সংবাহনৰ এই পৰিক্রমাত সময়ৰ চাপ পৰা দেখিবলৈ পোৱা যায়; কাৰণ লোকসাহিত্যৰ কোনো উপকৰণৰ অস্তিত্ব অব্যাহত ৰখাটো স্মৃতিৰ ওপৰত নির্ভৰশীল। এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ ই সংবাহন হোৱাৰ ফলস্বৰূপে ইয়াৰ সলনি হয়।

বেছিভাগ ক্ষেত্রত সচেতন সংযোজনো ঘটে।

লোকজীৱন স্বভাৱশিল্পীৰে ভৰপুৰ। সেইবাবে বহু সময়ত এনে উপকৰণত বাদ্যযন্ত্র সংগত কৰা হয় আৰু তাৰ পৰাই কথকতা পৰম্পৰাৰ বিশেষ কৌশল বিকশিত হয়। পুৰোহিত, যাজক আদি কৰি ধর্মীয় অনুষ্ঠান আৰু নিৰাময়ৰ ৰীতি-নীতি বাহকসকলে এক বেলেগ ধৰণেৰে মৌখিক পৰম্পৰা সংৰক্ষণ কৰে। কাৰণ এনে আচাৰ-ব্যৱহাৰবোৰত শব্দৰ ধ্বনিগত দিশটো মনত ৰাখিব লাগে আৰু সঠিকভাৱে সম্পন্ন নহ'লে ফলপ্রসূ নহয় বুলি বিশ্বাস কৰা হয়। মৌখিক পৰম্পৰাৰ বাহক এনে পুৰোহিতৰ প্রচাৰকসকলৰ আদর্শ হ'ল তেওঁলোকৰ উপাদানটোৰ প্রতি সম্পূর্ণ আনুগত্যতা।

কিছুমান লোকসাহিত্য মূলতঃ শিক্ষামূলক আৰু মানুহে নিজৰ জীৱনটো সঠিকভাৱে আগবঢ়াই নিবলৈ প্রয়োজনীয় তথ্যসমূহ প্রেৰণ কৰিবলৈ চেষ্টা কৰে। বেছিভাগ জনগোষ্ঠীৰ মাজতে মানুহ আৰু ঐশ্বৰিক শক্তিৰ সম্পর্ক ৰক্ষাৰ ফলস্বৰূপে বিভিন্ন মিথৰ জন্ম হয়। দেৱতা আৰু বীৰ আৰু পৃথিৱীৰ অলৌকিক উৎপত্তি আৰু পৰিৱর্তনৰ কাহিনীয়ে সকলো লোকসাহিত্যতে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

সমবায় শ্রম বা পদযাত্রাত ছন্দময় গীতে সহায় কৰে আৰু সামাজিক জীৱনৰ বহু দিশৰ পৰা বিভিন্ন ধৰণৰ নৃত্যৰ জন্ম হয়। পৰিশেষত ক'ব পাৰি যে, লোকসাহিত্য সাধাৰণতে লোকসংস্কৃতিৰ বৃহত্তৰ বিভাগটোৰ এটা অংশ মাথোন। ৰীতি-নীতি আৰু বিশ্বাস, আচাৰ-ব্যৱহাৰ, নৃত্য, লোকসংগীত আৰু অন্যান্য অসাহিত্যিক প্রকাশবোৰো লোকসংস্কৃতিৰ লগত সম্পর্কিত। এইবোৰক প্রায়ে নৃতাত্ত্বিক বৃহত্তৰ অধ্যয়নৰো এটা অংশ বুলি গণ্য কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ লোকসাহিত্যৰ যিকোনো উপকৰণে কিহৰ বাবে অনেক যুগ আৰু বহু ভৌগোলিক দূৰত্ব অতিক্রম কৰি জীয়াই থাকে?

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোত উল্লেখ কৰা সংজ্ঞাটোৰেই আমাক ধাৰণা প্রদান কৰিছে যে, মৌখিক সাহিত্য

বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। সাধাৰণতে লোকসাহিত্য মানে জনসাধাৰণৰ সাহিত্য।

- ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। এই বিষয়েও কিছু কথা অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- অধ্যায়টোত লোকসাহিত্যৰ বৈশিষ্ট্য নিৰূপণ কৰা হ'ল। ইয়াৰ জৰিয়তে আপুনি লোকসাহিত্যৰ কেইটামান প্ৰধান বৈশিষ্ট্য সম্পৰ্কে অৱগত হ'ল।



৪.৫ অধিক জানিবলৈ

১) গোস্বামী, প্ৰফুল্লদত্ত (১৯৯৪); *অসমীয়া জন-সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৫) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬) *Thompson, S. (2022, August 12). folk literature. Encyclopedia Britannica.* https://www.britannica.com/art/folk-literature



৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ মৌখিক সাহিত্যৰ বিভিন্ন উপাদানৰাজিৰ আছে সুনিৰ্দিষ্ট সামাজিক প্ৰকাৰ্য। এনেদৰে নিৰ্দিষ্ট প্ৰকাৰ্যৰ আধাৰত মৌখিক সাহিত্যৰ শ্ৰেণী বিভাজন কৰা পদ্ধতিটোকেই প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিষয়বস্তু আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি— লোকগীত; ফকৰা-যোজনা, প্ৰবাদ, পটন্তৰ, সাঁথৰ আদি আৰু সাধুকথা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লোকসাহিত্যৰ যিকোনো উপকৰণ শ্ৰোতাৰ বাবে গ্ৰহণযোগ্য হ'লে ই অনেক যুগ যুগ ধৰি আৰু বহু ভৌগোলিক দূৰত্ব অতিক্ৰম কৰি জীয়াই থাকে।



৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) লোকসাহিত্য বুলিলে কি বুজে?

খ) লোকসাহিত্যক আন কি কি অভিধাৰে বুজোৱা হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোকসাহিত্যৰ সংজ্ঞা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোকগীতৰ শ্ৰেণী বিভাজন কৰি প্ৰত্যেকটো বিভাজনৰ উদাহৰণ দি বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ লোকসাহিত্যৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***